# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 29-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৭১ গৰাকী ব্যক্তিক ২০২৫ বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লী ভাৰত মণ্ডপমত যুগ্ম সন্মিলনত অংশ ল'ব।

৩। ইৰাণৰ ছহিদ ৰাজাই বন্দৰত সংঘটিত বিস্ফোৰণ আৰু অগ্নিকাণ্ডত মৃত্যু হোৱা লোকৰ সংখ্যা ৭০ লৈ বৃদ্ধি পাইছে।

৪। প্ৰয়াত পোপ ফ্ৰান্সিছৰ উত্তৰসূৰী গৰাকীক নিৰ্বাচন কৰাৰ প্ৰক্ৰিয়া অহা ৭ মে'ত আৰম্ভ হ'ব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে গুজৰাট টাইটানছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৭১ গৰাকী ব্যক্তিক ২০২৫ বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটা প্ৰদানৰ এই বৰ্ষৰ প্ৰথম বিতৰণী অনুষ্ঠানত বঁটাসমূহ আগবঢ়োৱা হয়।

ঔষধৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে ডা০ নাগেশ্বৰ ৰেড্ডী, আৰু কলা ক্ষেত্ৰ অৱদানৰ বাবে ভায়লিনবাদক তথা সুৰকাৰ ড০ লক্ষ্মীনাৰায়ণ সুব্ৰমনিয়মলৈ **পদ্ম বিভূষণ** বঁটা প্ৰদান কৰা হয়। লগতে এম টি বাসুদেৱন নায়াৰ আৰু আৰু ওছামো ছুজুকীলৈ মৰণোত্তৰভাৱে পদ্ম বিভূষণ বঁটা আগবঢ়োৱা হয়।

**পদ্মভূষণ** বঁটা লাভ কৰা বশিষ্ট ব্যক্তিসকলৰ ১০ জনীয়া তালিকাত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ অজিত কুমাৰ, ভাৰত নাট্যম নৃত্যশিল্পী শ্বʼবনা চন্দ্ৰকুমাৰ, ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক শ্ৰীজেছ পি আৰ আছে।

ইপিনে ভাৰতৰ ক্ৰিকেটাৰ ৰবিচন্দ্ৰন অশ্বিন, ভাৰতীয় ষ্টেট বেংকৰ প্ৰাক্তন অধ্যক্ষ অৰুন্ধতী ভট্টাচাৰ্যকে ধৰি ৫৭ গৰাকী ব্যক্তিলৈ পদ্মশ্ৰী বঁটা আগবঢ়োৱা হয়।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আৰু গৃহমন্তী অমিত শ্বাহকে ধৰি কেইবাগৰাকী মন্ত্ৰী তথা বিশিষ্ট ব্যক্তি কালিৰ এই বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে। উল্লেখযোগ্য যে শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। এই বছৰ গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত চৰকাৰে ৭টা পদ্ম বিভূষণ, ১৯টা পদ্মভূষণ আৰু ১১৩ পদ্মশ্ৰীকে ধৰি ১৩৯টা পদ্ম বঁটা ঘোষণা কৰিছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লী ভাৰত মণ্ডপমত যুগ্ম সন্মিলনত অংশ ল'ব। যুগ্ম শব্দৰ সংস্কৃত অৰ্থ হৈছে সংগম আৰু এই সন্মিলন চৰকাৰ, শৈক্ষিক ক্ষেত্ৰ, উদ্যোগ তথা, উদ্ভাৱনৰ খণ্ডৰ সৈতে জড়িত ব্যক্তিসকলৰ প্ৰথম এনে কৌশলগত সন্মিলন। চৰকাৰী প্ৰতিষ্ঠান আৰু ৱাধবাণী সংস্থাৰ প্ৰায় এহেজাৰ ৪০০ কোটি টকাৰ যৌথ বিনিয়োগৰ দ্বাৰা পৰিচালিত এই সন্মিলনে ভাৰতৰ উদ্ভাৱনৰ যাত্ৰাত বিশেষ অৰিহণা যোগাব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ আৰু উদ্ভাৱনী ভাৰতৰ সপোনক বাস্তৱ ৰূপ দিবলৈ সন্মিলনখনত বিভিন্ন প্ৰকল্পৰ শুভাৰম্ভণিও কৰা হ'ব।

০০০০০

ভাৰতে পেহেলগামত সংঘটিত শেহতীয়া আক্ৰমণৰ ঘটনাৰ সন্দৰ্ভত ভাৰতৰ বিৰুদ্ধে ভুল তথ্য প্ৰচাৰ কৰাৰ বাবে ডন নিউজ, ছাম্মা টিভি, এৰি নিউজ, জিঅ নিউজ আদিকে ধৰি মুঠ ১৬টা পাকিস্তানী ইউটিউব চেনেলৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰিছে। ভাৰত, ভাৰতীয় সেনা বাহিনী আৰু নিৰাপত্তা সংস্থাসমূহৰ বিৰুদ্ধে উচতনিমূলক আৰু সাম্প্ৰদায়িকভাৱে স্পৰ্শকাতৰ বিষয়বস্তুৰে মিছাৰ আৰু বিভ্ৰান্তিকৰ বাতৰি প্ৰচাৰ কৰাৰ বাবে এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নিষেধাজ্ঞা আৰোপ কৰা ইউটিউব চেনেলসমূহৰ ছাবছক্ৰাইবাৰৰ সংখ্যা ৬ কোটি ৩০ লাখৰো অধিক আছিল বুলি জানিব পৰা গৈছে।

ইপিনে এই আক্ৰমণ সন্দৰ্ভত বিবিচিয়ে প্ৰকাশ বাতৰিত আপত্তি দৰ্শাই ভাৰতে বিবিচিৰ ভাৰতীয় মুৰববীলৈ আনুষ্ঠানিকভাৱে এখন পত্ৰ প্ৰেৰণ কৰিছে। বিদেশ মন্ত্ৰ্যালয়ে বিবিচিৰ বাতৰি নিৰীক্ষণ কৰিব বুলিও জানিব পৰা গৈছে।

০০০০০

**পঞ্জাৱত এণ্টি ড্ৰ'ন ব্যৱস্থাৰ পৰীক্ষণ সম্পূৰ্ণ হৈছে আৰু ভাৰত-পাক সীমান্তত কিছু দিনৰ ভিতৰতে এই ব্যৱস্থা আৰম্ভ কৰা হ'ব। এই ব্যৱস্থাৰ ফলত ড্ৰ'নৰ জৰিয়তে সীমাৰ সিপাৰৰ পৰা ড্ৰাগছ, অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰীৰ সৰবৰাহৰ ওপৰত অধিক নজৰ দিব পৰা যাব। ভাৰত-পাক সীমান্তৱৰ্তী কেইখনমান গাঁৱত শেহতীয়াকৈ এই ব্যৱস্থাৰ পৰীক্ষণ কৰা হৈছিল। পঞ্জাৱৰ টাৰ্ণ তৰণ আৰু অমৃতসৰ জিলাত ড্ৰোনৰ সৰ্বাধিক অনুপ্ৰৱেশ তথা ড্ৰাগছ আৰু অস্ত্ৰ জব্দ কৰা হয়। এই ব্যৱস্থাই ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত যিকোনো উৰণীয়া মেচিন ধৰা পেলাব পাৰিব। পঞ্জাৱৰ আৰক্ষীৰ মুৰব্বী গৌৰৱ যাদৱে প্ৰকাশ কৰা অনুসৰি গৃহ পৰিক্ৰমা মন্ত্ৰালয় আৰু সীমান্ত সুৰক্ষা বাহিনীয়ে যুটীয়াভাৱে এই ব্যৱস্থা কৰা হৈছে।**

০০০০০

যোৱা শনিবাৰে হৰমুজগানৰ দক্ষিণ ইৰাণ প্ৰান্তৰ ছহিদ ৰাজাই বন্দৰত হোৱা বিস্ফোৰণ আৰু অগ্নিকাণ্ডত মৃত্যু হোৱা লোকৰ সংখ্যা ৭০লৈ বৃদ্ধি পাইছে। লগতে এই ঘটনাত এহেজাৰ ২০০ৰো অধিক লোক আহত হোৱা বুলি ইৰাণৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৰে প্ৰকাশ কৰা মতে জুই সম্পূৰ্ণৰূপে নিৰ্বাপন কৰা হৈছে আৰু উদ্ধাৰ তথা সাহায্য অভিযান ক্ষিপ্ৰতাৰে চলাই থকা হৈছে। ইয়াৰ পূৰ্বে ইৰাণৰ গৃহমন্ত্ৰী এছকন্দৰ মোমেনিয়ে প্ৰান্তীয় ৰাজধানী বন্দৰ আববাছত দায়িত্ব জ্ঞানহীনতাৰ বাবে ভয়ংকৰ বিস্ফোৰণটো হোৱা বুলি প্ৰকাশ কৰিছে। ঘটনাৰ তদন্ত অব্যাহত থকা বুলিও দেশখনৰ গৃহমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

ৰোমান কেথলিক ধৰ্মগুৰু প্ৰয়াত পোপ ফ্ৰান্সিছৰ উত্তৰসূৰী গৰাকীক নিৰ্বাচন কৰাৰ প্ৰক্ৰিয়া অহা ৭ মে'ত আৰম্ভ হ'ব। পোপ ফ্ৰান্সিছৰ দেহাৱসানৰ পাছৰ প্ৰক্ৰিয়াসমূহ পৰিচালনা কৰি থকা কাৰ্ডিনেলসকলৰ এখন ধৰ্মীয় সভাৰ অধিৱেশনত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ভেটিকানে এই কথা প্ৰকাশ কৰিছে।

পৰম্পৰা অনুসৰি ছিষ্টিন চেপেলত পোপ ফ্ৰান্সিছৰ উত্তৰসূৰী গৰাকীক নিৰ্বাচন কৰাৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগ্ৰহণৰ যাৱতীয় প্ৰস্তুতিৰ অৰ্থে ছিষ্টিন চেপেলক কালি পৰ্যটকৰ বাবে বন্ধ কৰি দিয়া হয়। বিশ্বজুৰি থকা ২২৫ গৰাকী কাৰ্ডিনেলৰ ভিতৰত ৮০ বছৰ অনূৰ্ধৰ ১৩৫ গৰাকীক ভোটদানৰ বাবে যোগ্য বুলি বিবেচনা কৰা হৈছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু ওড়িশাত মুষলধাৰ বৰষুণৰ আগলি বতৰা জাৰি কৰিছে। বিভাগে উত্তৰ-পূৰ্বাঞ্চলত অহা ৫ দিনলৈ পাতলীয়াৰ পৰা ধুমুহাৰ সৈতে ধাৰাষাৰ বৰষুণ হোৱাৰ জাননী দিছে। ইপিনে আজি হাৰিয়ানা, চণ্ডীগড়, দিল্লী, পাঞ্জাৱ, হিমাচল প্ৰদেশ, পশ্চিম ৰাজস্থান, জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজাফ্ফাৰাবাদ আদি অঞ্চলৰ বাবে বিভাগে গ্ৰীষ্ম প্ৰবাহৰ সতৰ্কবাণী জাৰি কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে গুজৰাট টাইটানছক ৮ উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে বান্ধি দিয়া ২১০ ৰানৰ বিজয় লক্ষ্য ৰাজস্থানৰ দলটোৱে বৈভৱ সূৰ্যবংশীৰ অনবদ্য শতকৰ সহায়ত ১৫ অভাৰ আৰু ৫টা বলত সহজেই অতিক্ৰম কৰে। ৩৮টা বলত সংগ্ৰহ কৰা ১০১ ৰানৰ বাবে বৈভৱক প্লেয়াৰ অৱ দা মেচৰ সন্মান প্ৰদান কৰা হয়। ৩৫টা বলত কৰা এই শতকৰ সুবাদত বৈভৱে ১৪ বছৰ আৰু ৩২ দিন বয়সত আই পি এলত শতক অৰ্জন কৰা সৰ্বকনিষ্ঠ খেলুৱৈ হিচাপে পৰিগণিত হয়। এয়া হ'ল প্ৰতিযোগিতাখনৰ ইতিহাসত দ্বিতীয়টো দ্ৰুততম শতক। প্ৰতিযোগিতাখনত ক্ৰিছ গেইলে ৩০টা বলত দ্ৰুততম শতক অৰ্জন কৰাৰ অভিলেখ আছে। ইয়াৰোপৰি এয়া হ'ল প্ৰতিযোগিতাখনৰ ইতিহাসত কোনো এগৰাকী ভাৰতীয় খেলুৱৈৰ দ্ৰুততম শতক। ইয়াৰ পূৰ্বে এই অভিলেখ ইউছুফ পাঠানৰ নামত আছিল। ইউছুফ পাঠানে ৩৭টা বলত শতক অৰ্জন কৰিছিল। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে ৭০ ৰান কৰি আউট নোহোৱাকৈ থাকে। গুজৰাটৰ প্ৰসিদ্ধ কৃষ্ণা আৰু ৰাছিদ খানে এটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৯ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক শুভমন গিলে সৰ্বাধিক ৮৪ ৰান কৰাৰ বিপৰীতে জছ বাটলাৰে ৫০ আৰু ছাই সুদৰ্শনে ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ মহিষ থিকছানাই দুটা আৰু জোফ্ৰা আৰ্চাৰ আৰু সন্দীপ শৰ্মাই এটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি নতুন দিল্লীত দেলহী কেপিটেলছ কলকাটা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰত আজি মহিলাৰ ত্ৰি-দেশীয় ক্ৰিকেট শৃংখলাৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ১০ বজাত কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত আৰম্ভ হ'ব।

হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা দেওবাৰে প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত ছামাৰী আটাপাট্টু নেতৃত্বাধীন শ্ৰীলংকাৰ বিৰুদ্ধে ৯ উইকেটত বিজয় সাব্যস্ত কৰিছিল। ইপিনে আজিৰ খেলখন হ'ব শৃংখলাটোত দক্ষিণ আফ্ৰিকাৰ প্ৰথমখন খেল।

ooooo

সমাপ্ত